খোজে। তেতিয়াই ৰোগী হিচাপে লগ পোৱা প্ৰমোদ শৰ্মাৰ কথাবোৰ তাইৰ মগজুত পাকঘূৰণি খাই তাইক উদ্বিগ্ন কৰি তোলে। কোনো অৰ্থ নুবুজাকৈয়ে তাইৰ মনত এই অচিনাকি মানুহজনৰ প্ৰতি কেনেকৈ এটা আচৰিত মোহ সোমাল। বেছ কিছুদিন প্ৰমোদ শৰ্মা নামটো তাইৰ মনৰ মাজত ঘূৰা-পকা কৰি আছিল আৰু মনলৈ আহিলেই তাক তাই এবাৰ গোপন মন্ত্ৰৰ দৰে উচ্চাৰণ কৰিছিল।

এদিন মাহীয়েকে তাইলৈ ফোন কৰোঁতে তাই মাহীয়েকক কথা প্ৰসংগত প্ৰমোদ শৰ্মা নামৰ মানুহ এজনক চিনি পায় নেকি সুধিলে। মাহীয়েকে প্ৰমোদ শৰ্মা নামটো শুনি প্ৰথমতে থতমত খালে। পাছত মানুহজনৰ ঘৰ ক'ত, দেখিবলৈ কেনেকুৱা আদি খবৰ বিতংকৈ ভৈৰবীৰ পৰা জানি ল'লে। মাহীয়েক কিছু সময় তভক মাৰি ৰ'ল। অলপ সময় চিন্তা কৰি মানুহজনৰ কথা ভালকৈ জানো বুলি তেওঁৰ অতীত কাহিনী এটা মাহীয়েকে ভৈৰবীক এটা সাধুকথাৰ দৰে ক'বলৈ ধৰিলে।

ছোৱালীজনীৰ বয়স আছিল তেতিয়া ওঠৰ। তাই বিদ্ৰোহী মনোভাবৰ আছিল। অদমনীয় সত্তাৰ অধিকাৰী আছিল তাই, যাৰ ওচৰ চাপিবলৈ কোনেও সাহস নকৰিছিল। তাইৰ উজ্জ্বল, গতিশীল স্বভাৱে সকলোকে আচৰিত কৰি তুলিছিল। এয়া সেইদিনৰ কথা যেতিয়া ছোৱালীজনীয়ে স্কুল-কলেজত পঢ়ি আছিল আৰু প্ৰমোদ শৰ্মাই শিক্ষা সাং কৰি জীৱিকাৰ বাবে গাঁৱৰ পৰা আহি চহৰত চাকৰি এটা কৰিছিল। হঠাতে প্ৰমোদ শৰ্মাৰ লগত ছোৱালীজনীৰ সংযোগ ঘটিল। প্ৰকৃতিৰ গছ-লতাই কুঁহিপাত মেলাৰ দিনতেই ছোৱলীজনীয়ে লগ পালে প্ৰমোদ শৰ্মাক। সিহঁতৰ মাজত প্ৰেমৰ সম্পৰ্ক এটা গঢ়ি উঠিল।

ছোৱালীজনী উচ্ছ্বসিত যৌৱনৰ ৰঙীন স্বপ্নত বিভোৰ হৈ প্ৰমোদ শৰ্মাৰ উমাল বুকুৰ উম ল'লে। প্ৰেমৰ নদীত হাতে হাত ধৰি দুয়ো সাঁতুৰিবলৈ ধৰিলে। এনেদৰে দিনবোৰ আগবাঢ়িল।

এদিন প্ৰেমৰ বতৰা সিহঁতৰ চিনাকি মানুহৰ মাজত বিয়পি পৰিল। চহৰৰ ছোৱালীৰ লগত গঢ়ি উঠা প্ৰমোদ শৰ্মাৰ প্ৰেমৰ বাতৰি ইকাণ-সিকাণকৈ বাগৰি তেওঁৰ মাক-দেউতাকৰ কাণত পৰিলগৈ। দেউতাক গৰজি উঠিল—"শূদিৰৰ ছোৱালীক সি কেনেকৈ ঘৰ সুমুৱায়হি চাওচোন। বাপেকক সি চিনি পোৱা নাই।" অগ্নিশৰ্মা বাপেকক বুজোৱাৰ সাহস প্ৰমোদ শৰ্মাৰ পৰিয়ালৰ কোনো লোকে গোটাব নোৱাৰিলে। প্ৰমোদ শৰ্মা নিৰৱ হৈ ৰ'ল।

ছোৱালীজনীৰ মাকেও তাইক বুজালে—"তাৰ মাক-দেউতাকে তোক জানো বোৱাৰী হিচাপে গ্ৰহণ কৰিব? গতিকে ইমানতে তাৰ লগত মিলা-মিচাবোৰ বন্ধ কৰ।"

সঁচাকৈয়ে এদিন প্ৰমোদ শৰ্মাৰ কেইটামান বাক্যই সিহঁতৰ বোৱঁতী প্ৰেমৰ নৈখনত ভেটা দি ধৰিলে। "মই তোমাক যে ভালপাওঁ সেই কথা আকাশত জোন, বেলি, তৰা ওলোৱাৰ দৰেই সত্য। কিন্তু মা-দেউতাৰ কাৰণেই মই আমাৰ শাশ্বত প্ৰেমক সমাজত স্বীকৃতি দিয়াৰ পৰা বিৰত থকাৰ সিদ্ধান্ত লৈছোঁ। তুমি আনৰ লগত সংসাৰ কৰি সুখী হোৱা। তুমি সুখী হ'লেই মই সুখী হ'ম।"

"কেনেকৈ ক'ব পাৰিলা এই কথা? তুমি এটা কাপুৰুষ, ভীৰু। আজিৰ দিনৰ ল'ৰা হৈ জাত-পাত বিচৰা মা-দেউতাক বুজাব নোৱাৰি তুমি তোমাৰ প্ৰেমক কুঠাৰাঘাত কৰিলা। তুমি এটা প্ৰৱঞ্চক।" —জাঙুৰ খাই উঠিল ছোৱালীজনী। বিদ্ৰোহী ছোৱালীজনী নানা অকথ্য কথাৰে প্ৰমোদ শৰ্মাক থকা-সৰকা কৰি তেওঁৰ ওচৰৰ পৰা আঁতৰি আহিল।

প্ৰমোদ শৰ্মাই অসহায়বোধ কৰিলে। ছোৱালীজনীক প্ৰেম-প্ৰত্যাখ্যান কৰি সৃষ্টি হোৱা মানসিক দহনৰ পৰা মুক্ত হ'বলৈ প্ৰমোদ শৰ্মাই সেই চহৰৰ চাকৰি বাদ দিয়াৰ উপৰিও গাঁৱৰ ঘৰকো পৰিত্যাগ কৰি কাকো নজনোৱাকৈ দূৰলৈ গুচি গ'ল।

বহুদিনলৈকে প্ৰমোদ শৰ্মা ক'ত আছিল, কি কৰিছিল পৰিয়ালৰ কোনো লোকে গম নোপোৱাকৈ আছিল। পাছলৈ অৱশ্যে তেওঁ মাজে মাজে ঘৰলৈ আহিছিল। কিছুদিনৰ পাছত তেওঁৰ মাক-দেউতাকৰো মৃত্যু হৈছিল। মাজে মাজে তেওঁ ঘৰলৈ আহিলে আক-তাক সুধি ছোৱালীজনীৰ খবৰ লৈছিল। কিন্তু তাইৰ ওচৰ চপাৰ সাহস তেওঁ গোটাব নোৱাৰিলে।

ইফালে প্ৰমোদ শৰ্মা ঘৰৰ পৰা অন্তৰ্ধান হোৱাৰ পাছতে ছোৱালীজনীয়ে গম পালে—তাই অন্তঃসত্ত্বা। মাকক তাই কথাটো জনালে। মাকে প্ৰমাদ গণিলে।

প্ৰত্যেক মানুহেই শান্তিপূৰ্ণ জীৱন-যাপন কৰিবলৈ কামনা কৰে। ছোৱালীজনীৰ মাকেও তাকে বিচাৰিছিল। সেয়েহে কোনেও গম নাপাওঁতেই তাইৰ গৰ্ভৰ পৰা ভ্ৰূণটোক খহাই দিবলৈ মাকে তাইক জোৰ কৰিলে। কিন্তু ছোৱালীজনী নাছোড়বান্দা। তাই প্ৰমোদ শৰ্মাৰ ঔৰসত স্থিতি লোৱা গৰ্ভৰ সন্তানটিক জন্ম দি সমাজৰ আগত তাইৰ প্ৰেমৰ নিদৰ্শন দাঙি ধৰিবলৈ নিজকে মানসিকভাৱে প্ৰস্তুত কৰি তুলিলে। প্ৰেম শাশ্বত, প্ৰেমে মানুহক সম্পূৰ্ণ কৰি তুলিব পাৰে। প্ৰমোদ শৰ্মাৰ প্ৰতি থকা গভীৰ ভালপোৱাৰ অনন্ত তৃষ্ণাৰে ছোৱালীজনীয়ে সেই সিদ্ধান্ত গ্ৰহণ কৰিলে।

মাহীয়েকে কাহিনীটো কৈ এটা হুমুনিয়াহ কাঢ়ি তাইক ক'লে—"এই কাহিনীৰ ছোৱালীজনীয়ে হৈছে তোৰ মাৰ।"

মাহীয়েকৰ কথা শুনি ভৈৰবী শিলপৰা কপৌজনীৰ দৰে কিছু সময় থৰ হৈ ৰ'ল। তাৰ পাছত তাইৰ শৰীৰেদি এসোঁতা তপত তেজ বৈ গ'ল। বাৰে বাৰে তাইৰ মনত প্ৰতিধ্বনিত হ'ল কেইটামান শব্দ—'তাৰমানে প্ৰমোদ শৰ্মা মোৰ জন্মাদাতা পিতৃ?'

ভৈৰবী কিছু সময় মৌন হৈ ৰ'ল। তাই পাহৰিয়ে গ'ল যে মাহীয়েকৰ লগত ফোনত কথা পাতি আছিল। ভৈৰবীৰ কোনো মাত-বোল নুশুনি মাহীয়েকে চিঞৰি উঠিল—"হেল্ল' হেল্ল', ভৈৰবী।"

হঠাৎ টোপনিৰ পৰা সাৰ পাই উঠাৰ দৰে ভৈৰবীয়ে খকামকাকৈ ক'লে—"ওঁ, কোৱা।"

"জানো পাই, মাজে মাজে ফোনবোৰৰ কি হয়? একো শব্দই শুনা নাযায়। বাৰু কচোন, হঠাতে প্ৰমোদ শৰ্মাৰ কথা কিয় উলিয়ালি।"

"লগ পালে সকলো কথা ক'ম" বুলি ভৈৰবীয়ে ফোনৰ সংযোগ কাটি দিলে। কিছু সময় তাই চিন্তাৰ সাগৰত ডুব গ'ল। ভাবিলে কোৱাৰেণ্টাইনৰ অন্তত তাই প্ৰমোদ শৰ্মাক বিচাৰি তেওঁৰ গাঁৱৰ ঘৰলৈ যাব। মাকক সদ্যহতে এই কথাবোৰ একো নজনোৱাৰ সিদ্ধান্তও তাই ল'লে। একোবাৰ ভৈৰবী শংকিতও হৈ পৰিল। প্ৰমোদ শৰ্মাই বা কথাবোৰ কেনেধৰণে লয়! তথাপি প্ৰমোদ শৰ্মাৰ প্ৰতি বিশ্বাস এটা পোষণ কৰি তাইৰ মনটো উজলি উঠিল। যিসময়ত মানৱ জাতিয়ে কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজ দি আছে সেই সময়তে কৰ'না তাইৰ কাৰণে আশীৰ্বাদ হৈ পৰিল। কৰ'নাই যেন পৰিহাসেৰে সম্পৰ্কৰ নতুন সমীকৰণবোৰ দেখুৱাই আছে। দূৰক ওচৰ চপাই দিছে আৰু ওচৰক দূৰলৈ লৈ গৈছে।

ভৈৰবীয়ে আশা কৰিছে কৰ'নাৰ বিধ্বংসী ৰূপ বিশ্বৰ পৰা সোণকালেই নোহোৱা হ'ব। কৰ'নাৰ প্ৰতিষেধকো সোনকালে ওলাব বুলিও ভৈৰবীয়ে শুনি আছে। কৰ'নাৰ ধ্বংসকাৰী ৰূপ নাইকিয়া হোৱা এখন সুন্দৰ, প্ৰদূষণমুক্ত, শান্তিপূৰ্ণ পৃথিৱীৰ কল্পনা কৰি ভৈৰবীয়ে বাহিৰৰ দুৱাৰখন খুলি দিলে। আকাশ ফৰকাল। এছাটি মলয়া বতাহে তাইৰ দেহ-মন জুৰ কৰি পেলালে। চাৰিওফালৰ সেউজীয়া মনোমোহা ৰূপে ভৈৰবীৰ মন পুলকিত কৰি তুলিলে। প্ৰকৃতিৰ সেউজীয়াখিনিত একাত্ম হৈ থাকোঁতেই মুখত পৰিতৃপ্তিৰ হাঁহি এটা লৈ ভৈৰবীয়ে প্ৰমোদ শৰ্মাৰ মুখখন মনত পেলাবলৈ চেষ্টা কৰিলে।

ঠিকনা ঃ বীৰেন মহন্ত পথ, আমোলাপট্টি, নগাঁও-৭৮২০০১, নগাঁও, ফোন ঃ ৯৬৭৮৬৮৩৭১৯